# অসম বিধান সভা
# ২০২৬ চনৰ ১৫ জুলাইত উত্তৰ দিবলগীয়া
# লিখিত প্ৰশ্ন নং – ৩৫৭

**বিষয়ঃ গৰাখহনীয়া ৰোধৰ ব্যৱস্থা**

**শ্ৰীবলিন চেতিয়া, বিধায়ক**

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

**-প্ৰশ্ন-**

(ক) শদিয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত অমৰপুৰ অঞ্চলত দিবাং আৰু দতং নদীৰ প্ৰায় চাৰি কিলোমিটাৰ বান্ধ আজিকোপতি নিৰ্মাণ নোহোৱাত প্ৰতিবছৰে বানপানীত ৰাইজৰ বিস্তৰ ক্ষতি হয়। এই সন্দৰ্ভত চৰকাৰে কি পদক্ষেপ গ্ৰহণ কৰিছে? (সদনত জনাব)

(খ) ন-দিহিং নদীৰ বান্ধ আৰু নিয়ন্ত্ৰণ দুৱাৰ প্ৰায় চাৰি কিলোমিটাৰ এতিয়াও নিৰ্মাণ কৰা হোৱা নাই। এই বিষয়ত চৰকাৰে কি পদক্ষেপ গ্ৰহণ কৰিছে? সদনত জনাব।

(গ) শদিয়া বিধানসভা সমষ্টিৰ বুঢ়াবুঢ়ী গাঁও পঞ্চায়তৰ অন্তৰ্গত লক্ষ্যপুৰ খ্ৰীষ্টান গোঁসাইগাঁৱৰ চাৰি কিঃমিঃ অঞ্চলত দিবাং নদীয়ে গৰাখহনীয়াৰ সৃষ্টি কৰিছে। গৰাখহনীয়া ৰোধৰ বাবে চৰকাৰে কি পদক্ষেপ গ্ৰহণ কৰিছে? (সদনত জনাব)

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী শ্ৰীযুত সুশান্ত বৰগোহাঁই দেৱে উত্তৰ দিবঃ**

**–উত্তৰ–**

(ক) শদিয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত অমৰপুৰ অঞ্চলত দিবাং আৰু দতং নদীৰ প্ৰায় ৪ (চাৰি) কিঃমিঃ মথাউৰি নিৰ্মাণৰ বাবে বৰ্ত্তমান জলসম্পদ বিভাগৰ দ্বাৰা জৰীপ কৰি থকা হৈছে আৰু অতিশীঘ্ৰে প্ৰাককলন প্ৰস্তুত কৰা হ'ব।

উক্ত অঞ্চলক সামৰি দিবাং নদীৰ গৰাখহনীয়া প্ৰতিৰোধৰ বাবে জলসম্পদ বিভাগে তলত উল্লেখিত আঁচনি দুখন প্ৰস্তুত কৰিছে।

i. "Anti-erosion measures to protect Mainapara and January Ghat area of Amarpur (Sadiya) from the erosion of river Dibang."

উক্ত আঁচনিত ১.০০ কিলোমিটাৰ দৈৰ্ঘ্যৰ খহনীয়া প্ৰতিৰোধৰ বাবে Geo-Bags Type-A ব্যৱহাৰৰ লগতে Pro-siltation ৰ ব্যৱস্থাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে। উক্ত আঁচনিখনৰ আনুমানিক ব্যয় ৯.০০ কোটি টকা।

ii. "Anti-erosion measures to protect Charagaon area of Amarpur (Sadiya) from the erosion of river Dibang."

উক্ত আঁচনিত ১.৫০ কিলোমিটাৰ দৈৰ্ঘ্যৰ খহনীয়া প্ৰতিৰোধৰ বাবে Geo-Bags Type-A ব্যৱহাৰৰ লগতে Pro-siltation ৰ ব্যৱস্থাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে। উক্ত আঁচনিখনৰ আনুমানিক ব্যয় ১২.২০ কোটি টকা।

ওপৰত উল্লেখিত আঁচনি দুখনৰ কাম প্ৰয়োজনীয় পুঁজিৰ উপলভ্যতা সাপেক্ষে হাতত লোৱা হ'ব।

খ) ন-দিহিং নদীৰ বাওঁপাৰৰ মথাউৰি (Left Bank Embankment) টেঙাপানী ঘাটৰ পৰা ডিৰাক তিনিআলিলৈ ৪ (চাৰি) কিলোমিটাৰ দৈৰ্ঘ্যৰ সম্প্ৰসাৰণৰ বাবে প্ৰায় ৮.১৪৮২ কোটি টকাৰ "Extension of Left Bank Embankment of river

Contd...p/2

Noa-Dehing from Tengapani Ghat to Dirak-Tiniali" নামেৰে এখন আঁচনি প্ৰস্তুত কৰা হৈছে। আঁচনিখনত এখন নিয়ন্ত্ৰণ দুৱাৰ (Sluice Gate) ৰ ব্যৱস্থা কৰা হৈছে। ইতিমধ্যে আঁচনিখনে 91st Technical Advisory Committee (TAC)-ৰ অনুমোদন লাভ কৰিছে। প্ৰয়োজনীয় পুঁজিৰ উপলভ্যতা সাপেক্ষে আঁচনিখনৰ কাম হাতত লোৱা হ'ব।

গ) জলসম্পদ বিভাগে উক্ত স্থান পৰিদৰ্শন কৰি বিস্তৃত ক্ষেত্ৰৰ জৰীপ (Detailed Field Survey) সম্পন্ন কৰিছে। সেই মৰ্মে গৰাখহনীয়া প্ৰতিৰোধৰ বাবে ৪ (চাৰি) কিঃমিঃ দৈৰ্ঘ্যৰ **"Anti-erosion measures to protect Lakhipur Christian Gahain Gaon area from the erosion of river Dibang"** শীৰ্ষক ৬ কোটি ব্যয় সাপেক্ষে এখন আঁচনি প্ৰস্তুত কৰা হৈছে। উক্ত আঁচনিত গৰাখহনীয়া প্ৰতিৰোধৰ বাবে Geo-Bags Type-A ব্যৱহাৰৰ লগতে Pro-siltation ৰ ব্যৱস্থাও অন্তৰ্ভূক্ত কৰা হৈছে। উক্ত আঁচনিখনৰ কাম প্ৰয়োজনীয় পুঁজিৰ উপলভ্যতা সাপেক্ষে হাতত লোৱা হ'ব।

(উক্ত প্ৰশ্নৰ সৈতে কোনো পৰিশিষ্ট অনলাইন যোগে দাখিল কৰিবলগা নাই আৰু উত্তৰসমূহ অনলাইন যোগে **NeVA** পৰ্টেলত দাখিল কৰা হৈছে)

***************